**স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি**

# প্ৰবাসী অসম প্ৰেমী ড° দিলীপ কুমাৰ দত্ত

**কাকলি বৰঠাকুৰ**

১৯৩৭ চনৰ ৩০ এপ্ৰিলত যোৰহাটৰ তৰাজান গায়ন গাঁৱত ড° দিলীপ কুমাৰ দত্তৰ জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম ফণীধৰ দত্ত আৰু মাতৃৰ নাম ৰত্নেশ্বৰী দত্ত। তেখেতৰ পিতৃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী পঞ্জীয়ক আছিল। দেউতাকে কটন কলেজত অধ্যাপনা সূত্ৰে থকাৰ সময়তে পুত্ৰক গুৱাহাটীৰ লতাশিল প্ৰাথমিক বিদ্যালয়, মাণিক চন্দ্ৰ বৰুৱা এম ই স্কুল আৰু কলেজিয়েট স্কুলত শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰিছিল। তেখেত এজন সুদক্ষ খেলুৱৈও আছিল। কটন কলেজিয়েট হাইস্কুল, কটন কলেজ, ৰামজাছ কলেজত ক্ৰিকেট, টেনিছ, ভলীবল, ফুটবল আদি বিভিন্ন খেলত শিক্ষানুষ্ঠানৰ হৈ বিভিন্ন প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰাৰ উপৰিও অধিনায়কৰ দায়িত্বও লাভ কৰিছিল। ১৯৫৮ চনত তেখেতে কটন কলেজৰ পৰা গণিত বিষয়ত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰে। সেই বছৰতে দিল্লী বিশ্ববিদ্যালয়লৈ স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণৰ কাৰণে ৰাওনা হয়। শেষত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ লগতে পি. এইচ ডি ডিগ্ৰীও লাভ কৰে। ব্ৰিটিছ চৰকাৰৰ কমনৱেলথ ফেল'শ্বিপ লাভ কৰা প্ৰথমজন অসমীয়া ছাত্ৰ আছিল তেখেত। ইংলেণ্ডৰ ছাউথ হাম্পটন বিশ্ববিদ্যালয় আৰু কানাডাৰ কেলগেৰী বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপকৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। পৰৱৰ্ত্তী সময়ত আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ গণিতৰ জ্যেষ্ঠ অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰে আৰু ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ পৰাই অৱসৰ গ্ৰহণ কৰে। তেখেতে নিজকে শিক্ষক হিচাপে পৰিচয় দি ভাল পাইছিল। ১৯৫৮ চনত দিল্লী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ যোৱাৰ পৰা আৰম্ভ কৰি আমেৰিকা যুক্তৰাজ্যত নিগাজিকৈ থকালৈকে ওৰে জীৱন তেখেতে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ চৰ্চা, প্ৰচাৰ আৰু উৎকৰ্ষ সাধনৰ বাবে আশাগুধীয়া প্ৰচেষ্টা চলাই গৈছিল। আচাম এছ'চিয়েচন অব নৰ্থ আমেৰিকা, আচাম ফাউণ্ডেচন অব নৰ্থ আমেৰিকা, অসম সাহিত্য সভাৰ আমেৰিকা শাখাৰ অন্যতম প্ৰতিষ্ঠাপক দত্তদেৱে যোৰহাটৰ তৰাজানত বিদ্যালয় প্ৰতিষ্ঠাৰ বাবে ভূমিদান আৰু গৃহ নিৰ্মাণ, হস্ত-শিল্পানুষ্ঠানৰ গৃহ নিৰ্মাণৰ দৰে বিভিন্ন সামাজিক কামৰ সৈতে জড়িত হৈ আছিল। বিদেশত থাকিলেও নিয়মিত মাতৃভাষাত সাহিত্য চৰ্চা কৰি কেইবাখনো গ্ৰন্থ অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়াইছে। কম্পিউটাৰত ভাৰতীয় ভাষাৰ ব্যৱহাৰ প্ৰথম তেখেতেই কৰিছিল। তেখেতৰ 'প্ৰেমত পৰিলোঁ নেকি?' গ্ৰন্থখন কম্পিউটাৰত অসমীয়া আখৰেৰে লিখা প্ৰথমখন গ্ৰন্থ।

গণিতৰ উপৰি বিভিন্ন বিষয়ত তত্ত্বগধুৰ লেখনিৰে অসমীয়া সাহিত্য জগত টনকিয়াল কৰা দত্তৰ এখন উল্লেখযোগ্য গ্ৰন্থ হৈছে সুধাকণ্ঠৰ গীতৰ সমীক্ষাত্মক ৰচনা 'ভূপেন হাজৰিকাৰ গীত আৰু ৰথ'। ইয়াৰ উপৰিও 'মোৰ শিক্ষা আৰু মোৰ শিক্ষক', 'নিৰ্মল প্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী', 'ফলি লোৱা বুৰঞ্জী', 'মনে মোৰ কইনা বিচাৰে',

'মিছ গুৱাহাটী', 'শুভ দিনৰ নিৰ্ঘণ্ট', 'খোচা বিন্ধা বুৰঞ্জী' তেখেতৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ। তেখেতে আমেৰিকা নিবাসী আন এজন অসমীয়া সু-সন্তান ৰূপম শৰ্মাৰ সহযোগত পুৰণি অসমীয়া চিৰ সেউজ গীতসমূহ ডিজিটেল পদ্ধতিৰে সংৰক্ষণ কৰি থৈ গৈছে।

শীতকালত প্ৰতিবছৰেই এবাৰ যোৰহাটলৈ আহি সময় কটাইছিল বিশিষ্ট সাহিত্যিকগৰাকীয়ে। এইবাৰো শীতকালত যোৰহাটলৈ অহাৰ টিকত ক্ৰয় কৰি থৈছিল। তেওঁৰ পিতৃ উপাচাৰ্য ফণীধৰ দত্তৰ সোঁৱৰণত এটা ন্যাস গঠন কৰি জন্মস্থান তৰাজান গায়ন গাৱঁত শংকৰদেৱ শিশু নিকেতন নামৰ এখন বিদ্যালয় স্থাপন কৰিছিল। তদুপৰি চহৰখনৰ চোলাধৰাত জাতীয় বিদ্যালয়ৰ বাবে তিনি বিঘা দুকঠা মাটি দান কৰি এটা বৃহৎ ভৱনো নিৰ্মাণ কৰি দিছিল। এই ভূমি, গৃহ আদি পিতৃ ফণীধৰ দত্তৰ নামৰ উৎসৰ্গা কৰিছিল। পাছত জাতীয় বিদ্যালয়ে তেখেতৰ পিতৃ ফণীধৰ দত্ত আৰু বিদুষী মহিলা ৰত্নেশ্বৰী দত্তৰ নামত পৃথকে দুটি ভৱন নিৰ্মাণ কৰে।

সন্ধিয়া চাহ কাপ খাই কিবা এটা লিখোঁ বুলি টেবুলত বহোতেই ফোনটো বাজিল। মাৰ ফোন। ৰিচিভ কৰিলত মায়ে ক'লে— 'খবৰ এটা পালিনে? দিলীপ দত্তচাৰ ঢুকাল নিউজত দি আছে।' মই স্তব্ধ হৈ ৰলো। মাৰ লগত আৰু কথা পাতিব নোৱাৰিলোঁ। মায়ে বুজি পাই ফোনটো কাটি দিলে। কথাষাৰ বিশ্বাস কৰিবলৈ টান পাইছিলোঁ। তেখেতৰ ভাগিন বোৱাৰীলৈ ফোন কৰি খবৰ ল'লো। এনেকুৱা লাগিছিল যেন ছাৰৰ ওচৰলৈ ঢাপলিয়াই যাম। এবাৰ ছাৰক চাবলৈ পোৱা হ'লে। লগে লগে ছাৰৰ ঘনিষ্ঠ দুজন ছাৰক খবৰ দিলোঁ। ছাৰ যোৰহাটলৈ অহাৰ দিন হিচাপ কৰি আছিলোঁ। হঠাৎ খবৰটোৱে বৰ দুখ দিলে। ছাৰৰ বিষয়ে প্ৰথম মোৰ মাৰ মুখতেই শুনিছিলোঁ আৰু মৃত্যুৰ খবৰো মায়েই দিলে। কি আচৰিত? আৰু প্ৰথম ছাৰক মই লগ পাইছিলোঁ মোৰ মাৰ উপস্থিতিহে। ছাৰৰ গল গলিয়া মাতেৰে কোৱা কথাবোৰ আজিও কাণত বাজি থাকে। ২০০৫ চনৰ পৰাই ছাৰক লগ পাই আহিছোঁ। প্ৰথম লগ পাইছিলোঁ গুৱাহাটী অভিমুখী যাত্ৰাত আমনিত চাহ খাওঁতে। চাহ খাই থাকোঁতে মায়ে মোক কৈছিল 'অ'ই সৰুৰ পৰা লগ পাবলৈ বিচাৰি থকা মানুহজন চা' এক বুজাব নোৱাৰা আনন্দৰে ভৰি পৰিছিল মোৰ মন। তেতিয়াৰ পৰাই ছাৰৰ লগত ফোন যোগেই হওঁক বা ব্যক্তিগত ভাবেই হওঁক যোগাযোগ ৰাখিছিলোঁ। যোৰহাটলৈ আহিলে ছাৰৰ ঘৰলৈ গৈছিলোঁ। বিদ্যালয়ৰ ল'ৰা-ছোৱালীকেইটাৰ খবৰ ল'বলৈ নাপাহৰিছিল। সকলোৰে লগত মিলিব পৰা মাটিৰ মানুহ যেন স্বভাৱৰ আছিল। সংগীত, গণিত এইবোৰ লৈয়েই ব্যস্ত আছিল। ছাত্ৰ-ছাত্ৰীৰ লগত সময় কটাই বেছি ভাল পাইছিল। ২০১৪ চনত আমাৰ বিদ্যালয়ত যোৰহাটৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত এটি অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰি সুখী হৈছিলোঁ। ইয়াৰ উপৰিও আমাৰ বিদ্যালয়ত নৱম আৰু দশম শ্ৰেণীত গণিতৰ পাঠদান কৰিছিল। মোৰ 'গণিত অভিধান'খন প্ৰস্তুত কৰি উলিয়াওতে মোক যথেষ্ট সহায় কৰিছিল আৰু উৎসাহ, প্ৰেৰণা দিছিল। ২০১৭ চনত 'শব্দ'ৰ উদ্যোগত বিষ্ণুৰাম বৰুৱা হ'লত হোৱা গ্ৰন্থমেলাৰ সামৰণি সভাৰ ভাষণত ভাষণ আগবঢ়াই থকাৰ মাজতে, তেখেতৰ বক্তব্যত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি গণিতৰ বিষয়ে কিছু কথা কৈ থকাৰ মাজত যেতিয়া মোৰ নাম লৈছিল মই থমকি ৰৈছিলোঁ আৰু আনন্দিত হৈছিলোঁ। ইমান এখন ডাঙৰ সভাত সকলোৰে সন্মুখত মোৰ নাম। বিশেষকৈ ছাৰৰ মুখত। এটা যেন ডাঙৰ আশীৰ্বাদ আছিল মোৰ বাবে সেইটো।

'কাকলি কি খবৰ, ভালে আছা? মই যোৰহাট পালোঁহি দেই। তোমাৰ ল'ৰা-ছোৱালী হঁতৰ কি খবৰ, পঢ়া-শুনা কৰিছেনে, অংক কৰিছেনে? এইবাৰ সোনকালে আহিলোঁ দেই। বহুত দিন থাকিম। তুমি গণিতৰ কথা পাতিবলৈ বহুত সময় পাবা। সদায় কোৱা নহয় কথা বহুত থাকিয়েই গ'ল শুধিবলৈ হাঃ হাঃ। আহিবা তোমাৰ যেতিয়া সময় সুবিধা হয়। মই আছোঁ। ফোন এটা কৰি জনাবা কেতিয়া আহা।'' হাঁহি হাঁহি গলগলীয়া মাতেৰে এনেকৈ ক'বলৈ মাতিবলৈ ছাৰ আৰু নাই। এনেকুৱা লাগে ছাৰে যেন নিজে জানিছিল আৰু ছাৰক নাপাম বুলি আৰু সেই কাৰণেই যেন সকলো কথা শুধিবলৈ আৰু পাতিবলৈ কৈছিল। যোৱা বছৰ ২০১৮ চনত যোৰহাট আহি ফোনত মোক কোৱা কথা এইষাৰ।

ছাৰৰ লগত কথা পাতোতে এটা এটাকৈ গণিতৰ ইটো সিটো পাতোতে দুঘণ্টা তিনিঘণ্টা সময় কেনেকৈ পাৰ হয় ক'বই নোৱাৰে। সহজ, সৰলভাবে বুজাই দিয়ে সকলো। ছাৰৰ পৰা বহু কথা শিকিলো আৰু বহু থাকি গ'ল। ছাৰৰ মৃত্যুৰ খবৰ সঁচা বুলি গ্ৰহণ কৰিবলৈ বৰ কষ্ট পাওঁ মনটোত, কিন্তু গ্ৰহণ কৰিবই লাগিব। দিন, মাহ হিচাপ কৰি আছিলোঁ ছাৰ আহিব এইটো সুধিম, সেইটো সুধিম ছাৰৰ ওচৰলৈ যাম, কথা পাতিম....... নাই, ছাৰ আৰু নাই। ছাৰ য'তেই আছে কুশলে থাকক। ছাৰৰ আত্মাই শান্তি লাভ কৰক।

---

কাকলি বৰঠাকুৰ যোৰহাটৰ তৰাজান হাই স্কুলৰ গণিতৰ শিক্ষয়িত্ৰী আৰু
অসম গণিত শিক্ষায়তনৰ যোৰহাট শাখাৰ সম্পাদিকা।

*[ "শিক্ষাদানৰ বিষয়ে এটা কথাত আজিৰ বিশেষজ্ঞ সকলৰ দুটা দল আছে। এটা দলে ভাবে যে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পাঠৰ সহায়েৰে আমোদ দিব পাৰিব লাগে। শিক্ষকসকলে নানা উপায়েৰে ছাত্ৰ-ছাত্ৰীসকলক আমোদ লগাই থাকিব পাৰিলেহে ছাত্ৰ-ছাত্ৰীসকলে স্কুললৈ আহিবলৈ ভাল পায় আৰু পঢ়াশুনা কৰি আনন্দ লাভ কৰে। এই চিন্তাধাৰাৰ প্ৰভাৱতে আজিৰ পাঠ্যপুথিবিলাক ৰংচঙীয়া হৈছে। পাঠ্যপুথিত ৰস লগোৱা কমিক্ ছবিৰ বিশদ ব্যৱহাৰ কৰা হৈছে আৰু আন উপায়েৰে আমোদজনক কৰিবলৈ চেষ্টা কৰা হৈছে। এইসকলৰ মতে শিক্ষকে গীত গাই, নাচিবাগি, ভেঙুচালি কৰি বা হাঁহি উঠা গল্প কৈ আমোদ দিব পাৰিলেহে বৰ ভাল কথা।*

*আনটো দলৰ মতে শিক্ষাদান বৰ গহীন কথা। শিক্ষকসকলে পাঠদান কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলক আমোদ দিবলৈ চেষ্টা কৰিলে, সেই পাঠ, সেই শিক্ষাক পাতল কৰাহে হয়। তাতে জ্ঞান অৰ্জন কৰিবলৈ হ'লে যে কঠোৰ পৰিশ্ৰম কৰিব লাগে সেই সত্যটোক আমোদৰ যোগেদি বুজাব নোৱাৰি।*

*আমিও অৱশ্যে দ্বিতীয় দলৰ মতহে বেছি সমৰ্থন কৰোঁ। শিক্ষকসকলে পঢ়াশুনা কৰাটো আৰু জ্ঞান লাভ কৰাটোৰেই যে চৰম আমোদ আৰু আনন্দৰ কথা সেইটো ছাত্ৰ-ছাত্ৰীসকলক পতিয়ন নিয়াবলৈ চেষ্টা কৰিব লাগে। এজন আমোদ শিল্পীৰ দৰে আন প্ৰকাৰে ছাত্ৰ-ছাত্ৰীক আমোদ দিবলৈ শিক্ষকসকলে চেষ্টা কৰাটো বৃথা। বিশেষকৈ আজিৰ যুগত, আজিৰ চিনেমা আৰু টেলিভিছনৰ যুগত ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া নানা ধৰণৰ আমোদশিল্পী আৰু আমোদ কৌশল সদায় উপভোগ কৰিবলৈ পায় সেই যুগত এজন শিক্ষকে আমোদশিল্পীৰ দৰে ছাত্ৰ-ছাত্ৰীসকলক আমোদ দিবলৈ চেষ্টা কৰিলে হয়তো হাঁহিয়াতৰ পাত্ৰহে হ'ব।"*

*ড° দিলীপ দত্ত প্ৰণীত "মোৰ শিক্ষা আৰু মোৰ শিক্ষক" গ্ৰন্থৰপৰা উদ্ধৃত ]*